# 2017

# ECONOMICS

## ( Major )

## Paper : 2.2

## ( Macroeconomics—II )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

   তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

   *(a)* What is inflation?

   মুদ্ৰাস্ফীতি কি ?

   *(b)* What is liquidity trap?

   তাৰল্য ফান্দ কি ?

   *(c)* What is meant by value of money?

   মুদ্ৰাৰ মূল্য মানে কি ?

(d) Give the meaning of trade cycle.

বাণিজ্যিক চক্ৰৰ অৰ্থটো লিখা।

(e) Mention the motives behind the demand for money.

মুদ্ৰাৰ চাহিদা নিৰ্ধাৰণ কৰা উদ্দেশ্যসমূহ (অভিপ্ৰায়) উল্লেখ কৰা।

(f) What is cost-push inflation?

উৎপাদন ব্যয়জনিত মুদ্ৰাস্ফীতি কি?

(g) Mention one measure of controlling business cycle fluctuations.

বাণিজ্যিক চক্ৰৰ নিয়ন্ত্ৰণৰ এটা ব্যৱস্থা উল্লেখ কৰা।

(h) What is the shape of the LM curve?

LM ৰেখাডালৰ আকাৰ কি?

(i) State a drawback of the IS-LM model.

IS-LM আৰ্হিৰ এটা অসুবিধা উল্লেখ কৰা।

(j) Mention a similarity between cash balance approach and cash transaction approach to the quantity theory of money.

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ নগদ ৰাহি আৰু নগদ লেনদেন পদ্ধতিৰ মাজত থকা এটা সাদৃশ্য উল্লেখ কৰা।

2. Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Show with a diagram the various phases of a business cycle.

চিত্ৰৰ সহায়ত বাণিজ্যিক চক্ৰৰ পৰ্যায়বোৰ দেখুওৱা।

(b) Mention two major causes of inflation.

মুদ্ৰাস্ফীতিৰ প্ৰধান দুটা কাৰণ উল্লেখ কৰা।

(c) State the condition of equilibrium in the money market.

মুদ্ৰা বজাৰৰ ভাৰসাম্যৰ চৰ্ত উল্লেখ কৰা।

(d) Define IS curve and LM curve.

IS ৰেখা আৰু LM ৰেখাৰ সংজ্ঞা দিয়া।

(e) State Robertson's cash balance equation.

ৰবাৰ্টছনৰ নগদ ৰাহি সমীকৰণটো উল্লেখ কৰা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Why is the cash balance equation ($M = PKT$) of the quantity theory of money regarded superior to the cash transaction equation ($MV = PT$)?

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ নগদ ৰাহি সমীকৰণ ($M = PKT$) টো নগদ লেনদেন সমীকৰণ ($MV = PT$) তকৈ উন্নত বুলি কিয় কোৱা হয় ?

(b) Discuss whether there is a relationship between increase in money supply and inflation.

মুদ্ৰাৰ পৰিমাণ বৃদ্ধিৰ লগত মুদ্ৰাস্ফীতিৰ সম্পৰ্ক আছে নে নাই, আলোচনা কৰা ।

(c) Discuss the impact of inflation on production and distribution.

উৎপাদন আৰু বিতৰণৰ ওপৰত মুদ্ৰাস্ফীতিৰ প্ৰভাৱ আলোচনা কৰা ।

(d) What are the basic characteristics of a business cycle?

বাণিজ্যিক চক্ৰৰ মৌলিক বৈশিষ্ট্য বা গুণবোৰ কি ?

(e) Why does the IS curve slope downward?

IS ৰেখাডাল কিয় নিম্নমুখী হয় ?

(f) Briefly explain the structuralist view of inflation.

মুদ্ৰাস্ফীতিৰ গঠনমূলক ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা ।

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain the liquidity preference theory of interest. What are its limitations? 7+3=10

সুদৰ তাৰল্য প্ৰীতি তত্ত্বটো ব্যাখ্যা কৰা। ইয়াৰ অসুবিধাসমূহ কি ?

(b) What is inflationary gap? Explain inflationary gap with a diagram. 2+8=10

মুদ্ৰাস্ফীতিৰ অৱকাশ বা ফাঁক কি? চিত্ৰৰ সহায়ত মুদ্ৰাস্ফীতিৰ অৱকাশ বা ফাঁক ব্যাখ্যা কৰা ।

(c) Explain Fisher's equation of exchange. Does it provide an adequate explanation of the changes in the value of money? 7+3=10

ফিছাৰৰ বিনিময় সমীকৰণটো ব্যাখ্যা কৰা । ই মুদ্ৰাৰ মূল্য পৰিবৰ্তন পৰ্যাপ্তৰূপে ব্যাখ্যা কৰেনে ?

(d) Discuss Cambridge equation for the determination of value of money. Do you think this equation is superior to the Fisher's equation? Give reasons. 6+4=10

মুদ্ৰাৰ মূল্য নিৰ্ধাৰণৰ কেম্ব্ৰিজ সমীকৰণটো ব্যাখ্যা কৰা। এই সমীকৰণটো ফিছাৰৰ সমীকৰণতকৈ উন্নত বুলি তুমি ভাবানে? কাৰণ দৰ্শোৱা।

(e) "The trade cycle is purely a monetary phenomenon." Explain this statement of Hawtrey. Do you agree with what Hawtrey has stated about the causes of trade cycle? Give reasons. 6+4=10

"বাণিজ্যিক চক্ৰ এটা মৌদ্ৰিক ঘটনা মাত্ৰ।" হট্ৰেৰ এই কথাষাৰ ব্যাখ্যা কৰা। বাণিজ্যিক চক্ৰৰ কাৰণ সম্পৰ্কে দিয়া হট্ৰেৰ এই মতামত তুমি মানি লোৱানে? কাৰণ দৰ্শোৱা।

(f) How is the LM curve affected by the change in the money supply and the demand for money? Show it graphically. 10

LM ৰেখাডাল কিদৰে মুদ্ৰাৰ যোগান আৰু মুদ্ৰাৰ চাহিদাৰ পৰিবৰ্তনৰ দ্বাৰা প্ৰভাবিত হয়? চিত্ৰৰ সহায়ত দেখুওৱা।

*(g)* Explain the nature of demand-pull inflation. What measures would you suggest to control such inflation? 5+5=10

চাহিদাজনিত মুদ্ৰাস্ফীতিৰ প্ৰকৃতি ব্যাখ্যা কৰা। এই মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ বাবে তুমি কি ব্যৱস্থা আগবঢ়োৱা ?

*(h)* Discuss Hicks' theory of business cycle. 10

হিকচৰ বাণিজ্যিক চক্ৰৰ তত্ত্বটো আলোচনা কৰা।

★★★